بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধত হজৰত হামজা (ৰাঃ)ৰ শ্বাহাদত আৰু আনছাৰি মহিলা সকলৰ ক্রন্দনৰ ৰোল হজৰত মুছাআব বিন উমেৰ (ৰাঃ)ৰ শ্বাহাদতৰ বাবে আঁহজৰত (ছাঃ)ৰ দোৱা আৰু সমস্ত চাহাবাৰ দৃষ্টান্ত মূলক কাৰ্যাৱলী**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১ মাৰ্চ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে উহুদৰ যুদ্ধৰ পৰিস্থিতি, পৰিৱেশ সম্পৰ্কে বৰ্ণনা কৰোঁতে কৈছে যে আঁহজৰত (ছাঃ)য়ে যুদ্ধৰ শেষত শ্বহীদ সকলৰ দেহ মোবাৰক আৰু আহত সকলক এঠাইত আনি জমা কৰোৱাইছিল। আহত সকলক চিকিৎসা আৰু শ্বহীদ সকলৰ লাচ মোবাৰকবোৰ দফন কৰাৰ ব্যৱস্থা লোৱা হৈছিল। তেতিয়া মুছলমান সকলে দেখিবলৈ পাইছিল যে কাফিৰ সকলে কিছুমান চাহাবাক কেৱল শ্বহীদেই কৰা নাই বৰং সিহঁতৰ নাক, কাণও কাটি পেলাইছে। শ্বহীদ সকলৰ এনে অৱস্থা চাই আঁহজৰত (ছাঃ)য়ে মনত বৰ বেজাৰ পাইছিল। সেই শ্বহীদ সকলৰ মাজত তেখেত (ছাঃ)ৰ খুৰাদেউ হজৰত হামজা (ৰাঃ)য়েও আছিল। হুজুৰ (ছাঃ)য়ে এই দৃশ্য চাই কৈছিল যে কাফিৰ সকলৰ কাৰ্যই সিহঁতৰ ওপৰত প্ৰতিশোধ লোৱাটো বৈধ বনাই তুলিছে, যাক আমি অবৈধ বুলি ভাবি আছো। সেই সময়ছোৱাত খোদা তা'লাৰ ফালৰ পৰা ওহী অৱতীৰ্ণ হয় যে কাফিৰ সকলে যিবোৰ কাম কৰি আছে, সিহঁতক কৰিবলৈ দিয়া, তুমি দয়া আৰু ন্যায় বিচাৰৰ তৰ্জু সদায় ব্যৱহাৰ কৰি যোৱা।

হজৰত হামজা (ৰাঃ)ৰ দফন কফন সম্পৰ্কে উল্লেখ আছে যে এখেত (ৰাঃ)ক এখন কাপোৰৰ কফন দিয়া হৈছিল। কাপোৰখন ইমানেই চুটি আছিল যে ভৰি ঢাকিলে মূৰ ওলাই পৰিছিল, মূৰ ঢাকিলে ভৰি ওলাই পৰিছিল। এই অৱস্থা চাই হুজুৰ (ছাঃ)য়ে কৈছিল যে তেখেতৰ মুখমণ্ডল ঢাকি দিয়া যাওঁক আৰু ঘাঁহ বনেৰে ভৰি ঢাকি দিয়া যাওঁক।

মৃতকৰ ওচৰত প্ৰলাপ কৰি চিঞৰি চিঞৰি কন্দা কটা কৰিবলৈ আঁহজৰত (ছাঃ)য়ে নিষেধ কৰিছে। এটা ৰিৱায়তত আছে আৰু সেয়া হ'ল হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ ৰিৱায়ত যে আঁহজৰত (ছাঃ)য়ে যেতিয়া

উহুদৰ পৰা ওভতি আহে তেতিয়া দেখিবলৈ পায় যে আনছাৰ সকলৰ মহিলা বিলাকে নিজৰ নিজৰ স্বামীৰ বাবে প্ৰলাগ গাই গাই চিঞৰি চিঞৰি কান্দি আছে। এয়া দেখি আঁহজৰত (ছাঃ)য়ে কৈছিল যে কি কথা! হজৰত হামজাৰ কাৰণে কান্দিবলৈ কোনো নাই নেকি ? এই কথা শুনি আনছাৰৰ মহিলা সকলে হজৰত হামজা (ৰাঃ)ৰ বাবে কান্দিবলৈ জমা হৈ গৈছিল। এনেতে অলপ দূৰত অৱস্থিত এখন মছজিদত আঁহজৰত (ছাঃ)য়ে অলপ সময় টোপনি গৈছিল। সাৰ পাই তেখেত (ছাঃ)য়ে মহিলা বিলাকৰ বিননি ভৰা ক্ৰন্দন শুনিবলৈ পাই কৈছিল যে আজি এওঁলোকে হামজাৰ নাম লৈ লৈ কান্দিয়ে থাকিব।কন্দা বন্ধ নকৰিব। গতিকে তেওঁলোকক ওভতি ঘৰলৈ বুলি যাবলৈ কোৱা। তেতিয়া নবী কৰিম (ছাঃ)য়ে তেওঁলোকক নিজৰ নিজৰ ঘৰলৈ যাবলৈ আদেশ দিয়ে আৰু কয় যে আজিৰ পিছৰে পৰা কোনো মৃতকৰ বাবে এনেদৰে ইনাই-বিনাই প্ৰলাগ গাই গাই কন্দা কটা নকৰিব। এনেদৰে বৰ প্ৰজ্ঞাৰে সৈতে আঁহজৰত (ছাঃ)য়ে আনছাৰৰ মহিলা সকলৰ মনৰ শোকাকুল পৰিস্থিতিলৈ লক্ষ্য ৰাখিছিল। তেওঁলোকক নিজৰ স্বামী আৰু ভাই সকলৰ বিদায় শোকত বাধা দিয়াৰ সলনি হজৰত হামজাৰ কথা মনত পেলাই দিছিল যে তাৰ কাৰণে কান্দিবলৈ কোনো নাই নে ? আঁহজৰত (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ৰ শ্বাহাদত আৰু তেখেতৰ লাচ মোবাৰকক কৰা অপমান দেখি মনত বৰ আঘাত পাইছিল, মনটো শোকাছন্ন হৈ পৰিছিল। কিন্তু যেতিয়া দেখিছিল যে আনছাৰ মহিলা সকলে বিলাপ ক্ৰন্দন বন্ধ কৰাৰ নামেই লোৱা নাই, সেয়ে এয়া বন্ধ কৰিবলৈ আঁহজৰত (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ৰ কথা মনত পেলাই দিছিল আৰু শেষত নিজৰ আদৰ্শৰ জৰিয়তে সিহঁতক ধৈৰ্য ধাৰণ কৰাৰ শিক্ষা দিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ৰ মৃত্যুত ইমানেই শোকাবিভুত হৈছিল যে জীৱনৰ শেষ সময় ছোৱালৈকে তেখেত (ৰাঃ)ৰ কথা মনত পেলাই মনৰ শোক প্ৰকাশ কৰিছিল।

হজৰত মুছাআব (ৰাঃ)ৰ দফন কফন সম্পৰ্কে বৰ্ণনাত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে হজৰত মুছাআব বিন উমেৰ (ৰাঃ)ৰ লাচৰ ওচৰত গৈ দেখিছিল যে তাৰ মৃত দেহটো উবুৰি খাই পৰি আছে। হুজুৰ (ছাঃ)য়ে তেখেত (ৰাঃ)ক দেখি এই আয়াত পঢ়িছিল যে মোমিন সকলৰ মাজত এনেকুৱা পুৰুষ আছে, যিসকলে আল্লাহৰ সৈতে প্ৰতিশ্ৰুতিবদ্ধ হৈ সেয়া পূৰ্ণ কৰি দেখুৱাইছে। গতিকে সিহঁতৰ মাজত তেওঁলোকও আছে, যিসকলে নিজৰ মান্নত (মানসা) পূৰ্ণ কৰিছে। সিহঁতৰ মাজত তেওঁলোকও আছে যিসকলে এতিয়াও অপেক্ষা কৰি আছে। এই আয়াত পঢ়ি তেখেত (ছাঃ)য়ে কৈছে যে আল্লাহৰ ৰছুলে সাক্ষী দিয়ে যে তোমালোক কিয়ামতৰ দিনাও খোদাৰ ওচৰত শ্বহীদ বুলি গণ্য হ'বা। ইয়াৰ পিছত হুজুৰ (ছাঃ)য়ে চাহাবা সকলক নিৰ্দেশ দিছিল যে তেওঁলোকক জিয়াৰত কৰি লোৱা আৰু ছালাম প্ৰেৰণ কৰা। সেই সত্তাৰ কছম ! যাৰ হাতত মোৰ প্ৰাণ, কিয়ামতৰ দিনলৈকে যিসকলে সিহঁতৰ ওপৰত ছালাম প্ৰেৰণ কৰিব সিহঁতে এওঁলোকৰ ছালামৰ উত্তৰ দিব।

উহুদৰ দিনা হুজুৰ (ছাঃ)য়ে শ্বহীদ সকলক দফন কৰাৰ পিছত সকলোকে এঠাইত আনি জমা কৰি এয়া দোৱা কৰিছিল যে হে আল্লাহ ! সমস্ত প্ৰশংসা তোমাৰ বাবে। হে আল্লাহ ! যি বস্তুক তুমি সম্প্ৰসাৰিত কৰি দিয়া তাক কোনেও বাধা দিবলৈ নাই আৰু যাক তুমি আটক কৰি ল'বা তাক সম্প্ৰসাৰণ কৰাৰ শক্তি কাৰো নাই; আৰু যাক তুমি পথভ্ৰষ্ট কৰি দিয়া তাক হিদায়ত দিওঁতা কোনো নাই আৰু যাক তুমি হিদায়ত দিয়া তাক পথভ্ৰষ্ট কৰিবলৈ কোনো নাই আৰু যি বস্তুক তুমি বাধা দি আটক কৰিবা সেয়া প্ৰদান কৰোঁতা কোনেও নাই আৰু যাক তুমি দূৰ কৰি দিবা সেয়া ওচৰত লৈ আনিবলৈ কোনো নাই আৰু যি বস্তু তুমি কাষ চপাই লৈ আনিবা তাক আঁতৰত পঠিয়াবলৈ কোনো নাই। হে আল্লাহ ! আমাক মুছলমান হৈ থকা অৱস্থাত মৃত্যু প্ৰদান কৰবিা আৰু আমাক মুছলমান হোৱা অৱস্থাত জীৱিত ৰাখিবা আৰু আমাক সজ লোকৰ লগত এনেদৰে সংলগ্ন কৰি ৰাখিবা যেন অপমানিত নহওঁ আৰু কোনো বিপত্তিৰ সন্মুখীন নহওঁ। হে আল্লাহ ! হে মাবুদে-হক ! সেই কাফিৰ সকলক

বিনাশ কৰি দিয়া, যি সকলে তোমাৰ ৰছুলক মিছলীয়া সজায় আৰু তোমাৰ বাটত বাধা প্ৰদান কৰে আৰু সিহঁতৰ ওপৰত তোমাৰ শাস্তি আৰু দুৰ্যোগ অৱতীৰ্ণ কৰা । হে আল্লাহ ! আহলে কিতাপ অস্বীকাৰকাৰীক ধ্বংস কৰি দিয়া। (আমিন)

উহুদৰ যুদ্ধ ক্ষেত্ৰত মুছলমান আৰু কাফিৰ মহিলা সকলেও পুৰুষৰ সমানে সমানে এটা দৃষ্টান্ত মুলক সেৱা আগবঢ়াইছিল। হজৰত উম্মে ছালমা (ৰাঃ) য়ে উহুদৰ যুদ্ধত যোগদান কৰাৰ বিষয়ে উল্লেখ পোৱা যায়। এনেদৰে বৰ্ণনা কাৰীয়ে কৈছে যে মই দেখিছিলো উহুদৰ দিনা হজৰত আয়শা (ৰাঃ) আৰু হজৰত উম্মে ছালমা (ৰাঃ)য়ে গিলাচত পানী ভৰাই আনি আহত মুছলমান আৰু পিয়াহ লগা জনক পানী পান কৰাইছিল। হজৰত আবু ছাঈদ খুদৰি (ৰাঃ)ৰ মাক উম্মে আতিয়া (ৰাঃ)ৰ সম্পৰ্কেও এনেকুৱা বৰ্ণনা পোৱা যায়।এনেদৰে কিছুমান মুছলিম মহিলাই বল্লম আৰু তৰোৱালেৰে কাফিৰ সকলৰ লগত যুজিও গৈছিল। তাৰ মাজত প্ৰথম আছিল হজৰত উম্মে আম্মাৰ (ৰাঃ)। ইয়াৰ পিছত হজৰত ফতিমা (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ ক্ষত স্থানত ধুই পৰিষ্কাৰ কৰাৰ বৰ্ণনাও পোৱা যায়। এনেদৰে আন এটা ৰোৱায়েতত উল্লেখ আছে যে হজৰত আয়শা (ৰাঃ)য়ে উহুদৰ যুদ্ধৰ পৰিস্থিতি জানিবলৈ আৰু কিছুমান মহিলা লগত লৈ ঘৰৰ পৰা যাত্ৰা কৰে। বাটতে গৈ হিন্দা বিনতে উমৰু (ৰাঃ)ক লগ পায়। হিন্দা আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ ভনী আছিল। হিন্দা (ৰাঃ)য়ে নিজৰ উট খেদি লৈ আনি আছিল, সেই উটৰ পিঠিত নিজৰ ভাই আৰু স্বামীৰ আৰু পুত্ৰৰ লাচ বোজাই দি লৈ আনি আছিল। হজৰত আয়শা (ৰাঃ)য়ে তাইক যুদ্ধ ক্ষেত্ৰৰ পৰিস্থিতি সম্পৰ্কে সুধিছিল। তেতিয়া হজৰত হিন্দা (ৰাঃ)য়ে জনাইছিল যে ৰছুলুল্লাহ (ছাঃ) ভালেই আছে আৰু তেখেত (ছাঃ) থাকিলে সমস্যাই সমাধান হয়। নিজৰ তিনজিন নিকট আত্মীয় স্বামী,পুত্ৰ, ভাই সকলৰ লাচ লৈ বাট অতিক্ৰম কৰি গৈছিল তথাপি খবৰ সুধাত কৈছিল যে আঁহজৰত (ছাঃ) ঠিকেই আছে যদি সকলো ঠিক আছে। এওঁলোকক মই দফন কৰাৰ ব্যৱস্থা কৰিম, আঁহজৰত (ছাঃ)য়ে ঠিক আছে যদি আমাৰ কোনো সমস্যা নাই।

হজৰত উম্মে আম্মাৰ (ৰাঃ)য়ে কৈছে যে যেতিয়া উহুদৰ ময়দানত আঁহজৰত (ছাঃ)ৰ ওচৰত মাত্ৰ কেইজনমান চাহাবা ৰৈ আছিল তেতিয়া মই দৌৰি হুজুৰ (ছাঃ)ৰ ওচৰ গৈ পাইছিলো আৰু মই তৰোৱালেৰে কাফিৰ সকলক তেখেত (ছাঃ)ৰ ওচৰ চাপিবলৈ দিয়া নাছিলো কিন্তু অবিৰাম তীৰও চলাইছিলো যদিও মই আহত হৈ পৰিছিলো। হজৰত উম্মে ইয়ামন (ৰাঃ) আহত সকলক পানী পান কৰাই আছিল এনেতে এজন মুশৰিকে তাইৰ ফালে তীৰ নিক্ষেপ কৰে আৰু সেই তীৰ গৈ তাইৰ আঁচলত বিদ্ধ হয়। এই দৃশ্য চাই কাফিৰজনে হাঁহিবলৈ ধৰে। এই ঘটনা চাই আঁহজৰত (ছাঃ)য়ে হজৰত ছাআদ বিন আবি উকাচ (ৰাঃ)ক এটা তীৰ আগবঢ়াই দিয়ে সেই তীৰ ডালৰ মূৰত ফাল নাছিল। হজৰত ছাআদে সেই তীৰ ডাল হাঁহি থকা মুশৰিক জনলৈ মাৰি পঠিয়াই আৰু তীৰ লাগি তেওঁৰ পিছফালে ওলটি বাগৰি পৰে আৰু লজ্জাস্থান ওলাই পৰে। তেতিয়া হুজুৰ (ছাঃ)য়ে মিচিকিয়াইছিল।হুজুৰ (ছাঃ)য়ে আল্লাহ তা'লাৰ সেই কৃপা দেখি মিচিকিয়াইছিল যে খোদা কেনেকৈ কাফিৰজনক ভগা তীৰৰ জৰিয়তে বাটৰ পৰা আঁতৰাই পেলালে।

এজন লিখকে আঁহজৰত (ছাঃ)ৰ বীৰত্ব আৰু সাহসৰ কথা বৰ্ণনা কৰোঁতে লিখিছে যে যেতিয়া খালিদ বিন অলিদৰ নেতৃত্বত কুৰাইছ সেনা আব্দুল্লাহ বিন জাবেৰ (ৰাঃ) আৰু তেখেতৰ লগৰীয়া সকলক শ্বহীদ কৰি ইছলামী বাহিনীৰ কাষত আহি উপস্থিত হৈছিল তেতিয়া এটা পৰীক্ষাৰ ক্ষণ উপস্থিত হৈছিল এনে অৱস্থাত ৰছুলুল্লাহ (ছাঃ)য়ে এটা দৃষ্টান্ত বিহীন সাহসৰ পৰিচয় দি নিজৰ জীৱন পণ কৰি চাহাবা সকলৰ প্ৰাণ বচোৱাৰ সিদ্ধান্ত লৈছিল আৰু উচ্চস্বৰে চাহাবা সকলক মাত লগাইছিল যে আল্লাহৰ বান্দা সকল এই ফালে আহা। তেখেত (ছাঃ)ৰ সেই মাত গোটেই যুদ্ধ ময়দান ৰজন জনাই তুলিছিল আৰু চাহাবা সকলেও যুদ্ধৰ কঠিন পৰিস্থিতি উপলব্ধি কৰিব পাৰিছিল। কাৰণ চাহাবা সকলে তেতিয়া দূৰত অৱস্থান কৰি আছিল আৰু ইফালে কুৰাইছ বাহিনীয়ে ৰছুলুল্লাহ

(ছাঃ)ৰ ওপৰত আক্ৰমণ চলাইছিল আৰু বাকী মুছলমানকও ঘেৰাও কৰি লৈছিল।

আঁহজৰত (ছাঃ)য়ে আহত অৱস্থাতও মানসিক ভাৰসাম্য বজায় ৰখা আৰু চাহাবা সকলক দিশ নিৰ্দেশনা দিয়া আৰু তেওঁলোকক উৎসাহিত কৰা সম্পৰ্কে উল্লেখ পোৱা যায়। উতবা বিন আবি উকাচ আঁহজৰত (ছাঃ)ৰ ওপৰত এটা পাথৰ জোৰেৰে মাৰি পঠিয়াইছিল, সেই পাথৰ আহি আঁহজৰত (ছাঃ)ৰ মুখমণ্ডলত লাগি তেখেত (ছাঃ)ৰ সন্মুখৰ দুটা দাঁত (কুকুৰ দাঁতৰ মাজত থকা দাঁত) ভাঙি যায় আৰু তলৰ ওঁঠ ফাটি যায়। তেতিয়া আঁহজৰত (ছাঃ)য়ে উতবা বিন আবি উকাচ লৈ এই দোৱা কৰিছিল। হে আল্লাহ ! এবছৰ পাৰ নহওঁতেই তাক তুমি কাফিৰ হিচাপেই মৃত্যু দিয়া। আল্লাহ তা'লা এই দোৱা কবুল কৰি লয় আৰু সেই দিনাই তাক হাতব বিন আবি বুলতাৰ হাতত মৃত্যু ঘটায়।

খোতবাৰ দ্বিতীয় ভাগত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম গুছান খালিদুন নকিব চাহাব (ছিৰিয়া), মকৰম নওশ্বাবা মোবাৰক পত্নী মকৰম জলিছ আহমদ মুৰব্বী ছিলছিলা শ্বোবা আৰকাইবুল হাকম, মকৰমা ৰেজিয়া চুলতানা চাহিবা পত্নী মকৰম আব্দুল হামিদ খান চাহাব মৰহুম ৰাবৱা, মকৰমা বুশৰা বেগম চাহিবা পত্নী মকৰম ডক্তৰ মহম্মদ ছেলিম চাহাব লাহোৰ, মকৰম ৰশিদ আহমদ চৌধুৰী চাহাব নাৰ্ভেৰ চমু পৰিচয় দি উন্নত মৰ্যদা প্ৰাপ্তিৰ বাবে দোৱা কৰে আৰু মৰহুমিন সকলৰ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আল্লাহ তা'লা উক্ত মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 1 FEB 2024**

## BOOK POST (PRINTED MATTER)

TO,

.........................................................................................................................

.........................................................................................................................

.........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**